## দিচাং নৈ:প্ৰদূষণ, সংৰক্ষণ আৰু মোৰ অভিজ্ঞতা:

...............................................................

পোন প্ৰথমে দিচাং নৈৰ এক চমু পৰিচয় দাঙি ধৰিছোঁ--

দিচাং নৈখন অৰুণাচলৰ পৰা আহি অসমৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ সীমাৰূপে কিছূদূৰ বৈ পাছত শিৱসাগৰ জিলাৰ মাজেদি গৈ ব্ৰহ্মপুত্ৰত পৰিছে। নৈখনৰ উৎস স্থান হ'ল অৰুণাচলৰ টিৰাপ জিলাৰ দক্ষিণ অংশৰ পাটকাই পৰ্বতৰ ২৬০০ মিটাৰ ওখ পাটকাই বুম শৃংগ। নৈখনে তাৰপৰা টিছা নৈ নামেৰে উত্তৰমুৱা হৈ ৪০ কিলোমিটাৰ বৈ আহি নিজৰ প্ৰথম প্ৰধান উপনৈ টোৱাইজো নৈক বাওঁপাৰে লয়। তাৰ পৰা নৈখনে বাটত দাইমাক নৈক লৈ ১০ কি:মি: আহি অসম-অৰুণাচল সীমাত টাউৰক্ পানী বা টাৰটজু নৈক সোঁপাৰে লয়। টাৰটজুখন বেচ ডাঙৰ নৈ, এইখন দক্ষিণৰ পৰা বৰদুৰীয়া সংৰক্ষিত বনৰ মাজেদি বহুতো শাখা-প্ৰশাখাৰে সৈতে বৈ আহিছে। তাৰ পৰা টিছা নৈয়ে উক্ত সীমায়েদি ২ কি:মি: উত্তৰলৈ আহি লকানজানক বাওঁপাৰে লয়। লকানজানক অসমৰ শিৱসাগৰ আৰু অৰুণাচলৰ টিৰাপ জিলাৰ মাজৰ সীমাৰূপে উত্তৰ-পূৱ দিশত ১৫ কি:মি: বৈ আহি টিছাকত পৰিছে। তদুপৰি লুকানজানৰ পশ্চিমে একে সীমাতে টীয়ক নৈ নামৰ দিচাঙৰ উপনৈ এখন ওলাই পশ্চিমলৈ বৈ গৈছে। টিছাখন উত্তৰ দিশত এটা ক্ষুদ্ৰ জলপ্ৰপাত পাৰ হৈ বাটত খুনছা জু আৰু খুনমো জু আদি পাহাৰীয়া জানক বাওঁপাৰে লৈ ৬ কি:মি: ভটিয়াই দিলিঘাটত পকী দলং পাৰ হৈ ভৈয়াম পায় আৰু দিচাং নৈ নাম লয়। এইছোৱাত নৈখন হৈছে শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ মাজৰ সীমা।

১৯১৭ চনৰ জৰীপমতে দিচাং নৈ ডিমৌমুখৰ পৰা ৯ কি:মি: ভটিয়াই বলমা নৈক সোঁপাৰে লৈ আৰু ৩ কি:মি: গৈহে ব্ৰহ্মপুত্ৰত পৰিছিল। বৰ্তমান ব্ৰহ্মপুত্ৰ নদীয়ে খহোৱাৰ বাবে বলমা নৈখন দিচাংমুখৰ পৰা ২ কি:মি: পূৱত পোনে পোনে ব্ৰহ্মপুত্ৰত পৰিছেগৈ।দিচাং নৈৰ

দৈৰ্ঘ্য ২৩০ কিলোমিটাৰ আৰু অৱবাহিকাৰ কালি ৩৯৫০ বৰ্গ কিলোমিটাৰ। নদীখনেদি প্ৰৱাহিত হোৱা পানীৰ সৰ্ব্বোচ্চ, সৰ্বনিম্ন আৰু গড় পৰিমাণৰ প্ৰতি ছেকেণ্ডত যথাক্ৰমে ১০৭৮,১৪ আৰু ৯১৫ ঘনমিটাৰ। নৈখনে বছৰি গড়ে ২১৯ হেক্টৰ মিটাৰ উটি-ভাঁহি ফুৰা গেদ কঢ়িয়াই নিয়ে। ভৈয়াম অঞ্চলত নৈখন বহলে প্ৰায় ১০০ মিটাৰ আৰু ইয়াৰ গভীৰতা সৰ্বাধিক ১২ মিটাৰ। দিচাঙৰ এৰাসুঁতিৰ পৰা বৰ্তমান ভালেমান বিল হৈছে। এইবোৰৰ ভিতৰত বেবেহি, গৰৈমাৰী, ভেৰানি, বগা, ধেমাইল, জামনগৰা, হাতীমৰা, শ্যামকালী, কাণী, ডগাভেটা, বৰ, কাটনি, সৰগপৰা, মেৰ, মৰাদিচাং আদি উল্লেখযোগ্য।

*দিচাং নৈৰ প্ৰধান উপনৈ সমূহ:*

১)টিমন নৈ:শিৱসাগৰ জিলাৰ বৰহাট চাহ বাগিছাৰ দক্ষিণে পাহাৰৰ নামনিৰ পৰা ওলোৱা দেওপানী নৈখনে লাউজান নামৰ এখন সৰু জান আৰু দক্ষিণৰ নামদাংনৈক মুক্তাবাৰী চাহ বাগিছাৰ কাষত লগত লৈ টিমন নৈ হয়। টিমন নৈখন দীঘে ৩২ কিলোমিটাৰ।

২)দিৰৈ নৈ:নৈখন ডিব্ৰুগড় জিলাৰ দিল্লী নগৰ নামৰ ঠাইত উৎপত্তি হৈ নীলমণি আৰু সৰোজিনী চাহ বাগিছাৰ মাজেদি পশ্চিমমুৱা হৈ বৈ আহে। দিৰৈ নৈৰ দীঘ ৬০ কি:মি: আৰু অৱবাহিকাৰ কালি ৬৭০ বৰ্গ কিলোমিটাৰ।

৩)টাওকাক নৈঃনগালেণ্ডৰ মন জিলাৰ পূৱৰ পৰা তিনিখন নৈ তেজাম,টেকাং আৰু টিনিউ লগ হৈ উত্তৰলৈ বৈ সৰ্পিল পথেৰে বৈ নামচা নামৰ ঠাইত অসমত সোমাই শিৱসাগৰ জিলাৰ অভয়াপুৰ বনাঞ্চলৰ মাজেদি বৈ আহোঁতে নামচাই,নামতলা,আৰু নাগা নৈৰ সৈতে লগ হৈ টাউকাক নাম লয়।তাৰ পিছত এই নৈয়ে নাফুক নৈ আৰু বৰাহী চাহ বাগিচাৰ কাষত টিয়ক নৈ সৈতে লগ-লাগি চক্ৰাই ষ্টেছনৰ পৰা ২ কিঃমিঃ উওৰ-পূবত দিচাং নৈত পৰিছে।টাওকাক নৈ দীঘ ৪৮ কিলোমিটাৰ আৰু অৱবাহিকা ৮২৭ বৰ্গ কিলোমাটাৰ।।

৪) চফ্ৰাই নৈঃচফ্ৰাই নৈখন নগাপাহাৰৰ মন জিলাৰ ৱাকচিঙৰ ওচৰৰ ১২৯০ মিটাৰ ওখ পাহাৰৰ পৰা ওলাই উত্তৰ-পূবমূৱা হৈ আহি শিৱসাগৰৰ মাইবেলা চাহবাগিছাত সোমায়।ইয়াৰ পৰা উত্তৰমূৱা হৈ সৰ্পিল পথেৰে চফ্ৰাই ৰে'ল ষ্টেইনৰ পৰা ২ কিঃমিঃ পশ্চিমে গড়ামূৰ ঘাটত দিচাঙত পৰিছে। চফ্ৰাই নৈৰ দীঘ ৪৫ কিঃমিঃ আৰু অৱবাহিকাৰ কালি ২৯৪ বৰ্গ কিঃমিঃ।

৫)ডিমৌ নৈ:ডিব্ৰুগড় জিলাৰ লেঙেৰী অঞ্চলৰ ঘগৰাজান আৰু কাৱৈমাৰি জান মিলি ডিমৌ নৈ নাম লয়।ইয়াৰ পৰা পশ্চিমমুৱা হৈ নামদাং বনাঞ্চলৰ মাজেদি বৈ আহি খোৱাঙৰ পৰা ৬ কিঃমিঃ পূবত কলৌলৌৱা জানৰ সৈতে লগ লাগে। তাৰ পৰা দক্ষিণ-পশ্চিম দিশত বৈ আহি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ পাৰ হৈ খোৱাং চহৰৰ কাষেৰে বৈ গৈ তিলৈ নৈ লগ লাগিছে।তাৰ পিছত দক্ষিণ-পশ্চিমমুৱা হৈ ডিমৌ অঞ্চলৰ দিখাৰি বাগানলৈকে বৈ আহি পশ্চিমমুৱা হয়।ইয়াৰ পৰা পানীদিহিং বনাঞ্চলৰ মাজেদি বৈ গৈ ধাইআলি পাৰ হৈ আথৈফুটীয়াৰ পশ্চিমৰ ডিখৌমুখত ডিমৌ নৈ দিচাঙৰ সৈতে লগ লাগে।ডিমৌ নৈৰ দীঘ ৫৮ কিঃমিঃ আৰু অৱবাহিকাৰ কালি ৩২০ বৰ্গ কিঃমিঃ।

এতিয়া আহিছো দিচাং নৈৰ প্ৰদূষণৰ প্ৰসংগলৈ।দিচাং নৈৰ অন্তৰ্গত আটাইতকৈ বেছি প্ৰদূষণৰ মাত্ৰা থকা ঠাইখন হৈছে,গুদামঘাত।প্ৰায় ২.৯ কিলোমিটাৰ দৈৰ্ঘৰ এই ঠাইখনে ১.৩ বৰ্গ কিলোমিটাৰ ঠাই আগুৰি আছে।।অন্যহাতে দিচাং নৈৰ সমীপত থকা ডিব্ৰুগড় জিলাৰ ক্ৰমে কেছৰুগুড়ি ১ আৰু কেছৰুগুড়ি ২ নামৰ দুয়োখন গাঁৱেই দিচাং নৈত প্ৰদূষণৰ সৃষ্টি কৰিছে।২০১১বৰ্ষৰ তথ্য অনুসৰি ১১৩৪ জন বাসিন্দা থকা এই দুখন গাঁৱত ২২৮ ঘৰ মানুহ আছে আৰু এই দুয়োখন গাঁৱৰ বাসিন্দাই দিচাং নৈত সৃষ্টি কৰা আৱৰ্জনাৰ পৰিমাণ ১৪৭.১ KLD

দিচাং নৈত হোৱা প্ৰদূষণৰ কাৰণসমূহ যদি আমি ফঁহিয়াই চাওঁ,তেনেহ'লে,কাৰণসমূহ এনেধৰণৰ হ'ব-

১)দিচাং নৈৰ ওচৰৰ যিসমূহ গাঁও বা চহৰ আছে তাৰ বাসিন্দাসকলৰ ঘৰুৱা আৱৰ্জনাসমূহ নলায়েদি(Drain) দিচাং নৈতে পৰেগৈ যাৰফলস্বৰূপে দিচাং নৈ প্ৰদূষিত হৈছে আৰু চৰকাৰী তথ্য অনুসৰি দিচাং নৈ প্ৰদূষিত কৰা আৱৰ্জনাসমূহৰ ভিতৰত ঘৰুৱা আৱৰ্জনাৰ মাত্ৰাই সৰ্বাধিক।।

২)দ্বিতীয়তে,দিচাংৰ কাষত যিসমূহ গাঁও আছে তাৰ বেছিভাগ বাসিন্দাই স্বাস্থ্যসন্মত বৈজ্ঞানিক শৌচাগাৰ ব্যৱহাৰ নকৰে। তেওঁলোকে ব্যৱহাৰ কৰা কেঁচা শৌচালয়,তথা গাত খান্দি শৌচ কৰা কাৰ্যৰ বাবে সেই মল-মূত্ৰ আহি দিচাঙত পৰেহি যাৰ বাবে দিচাঙৰ পানী প্ৰদূষিত হৈ আহিছে।।যদিও IHHL(Individual House Hold Latrin) ৰ নেতৃত্বত স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে দিচাঙ নৈৰ দাঁতিকাষৰীয়া প্ৰায় ৭৮১ ঘৰ মানুহক বিজ্ঞানসন্মত শৌচাগাৰৰ ব্যৱস্থা কৰা হ'ল কিন্তু দিচাং নৈৰ প্ৰদূষণৰ সৃষ্টি কৰা বহুতো গাঁওত এতিয়ালৈকে বিজ্ঞানসন্মত শৌচাগাৰ নিৰ্মাণ কৰা হোৱা নাই।।

৩)তৃতীয়তে,দিচাং নৈয়ে যিহেতু অসমৰ দুখন মুখ্য আৰু ঔদ্যোগিক জিলা ক্ৰমে শিৱসাগৰ আৰু ডিব্ৰুগড়ক সাঙুৰি লৈছে,গতিকে,সেই দুখন নগৰৰ প্ৰধান উদ্যোগবোৰৰ আৱৰ্জনাও দিচাং নৈতে পৰেগৈ।।ইয়াৰোপৰি জানিবলৈ পোৱা তথ্য অনুসৰি এই উদ্যোগবোৰে আৱৰ্জনাসমূহ নৈত পেলোৱাৰ আগতে নিষ্কাষণৰ ব্যৱস্থাও নকৰে, যাৰ বাবে দিচাং নৈৰ পানী প্ৰদূষিত হোৱাৰ লগতে বিষাক্তও হৈ পৰিছে।।

*সদ্যহতে দিচাং নৈৰ বিষয়ে প্ৰকাশ পোৱা এটি তথ্য সকলোতকৈ বেছি ভয়ানক।সেই তথ্য অনুসৰি প্ৰতি দিনৰ ব্যৱধানত দিচাং নৈৰ কাষৰ গাঁওসমূহে প্ৰায় ৯৯৬.৮ কেজি পৰিমাণৰ আৱৰ্জনা দিচাং নৈত সৃষ্টি কৰে।বৰ্তমানলৈকে দিচাং নৈৰ প্ৰদূষণৰ সমস্যাটো চৰকাৰে অধিক গুৰুত্ব

নিদিলেও বৰ্তমান সময়ত এই সমস্যাটো অতি গুৰুত্বপূৰ্ণ তথা তাৎপৰ্যবহনকাৰী। নহ'লে আৰু দহ বছৰৰ পিছত অসমত দিচাং নৈৰ অস্তিত্ব থাকিবগৈনে সেয়া সন্দেহাতীত।।

*দিচাং নৈৰ প্ৰদূষণ ৰোধ কৰিবলৈ আমি কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰোঁ:

১)আমি যদি এইখিনিতে ভাৰতৰ *"Holy River"* খ্যাত গংগা নদীৰ কথা কওঁ,তেনেহ'লে আমি গম পাম যে ভাৰতৰ প্ৰায় ২২২ খন চহৰৰ মাজেদি গংগা নদী প্ৰৱাহিত হয় আৰু এই চহৰৰ বাসিন্দাসকলে যিসমূহ আৱৰ্জনা জমা কৰে তাৰ প্ৰায় ৮০% আৱৰ্জনা পোনপটীয়াকৈ গংগা নদীত পেলাই দিয়ে,সেই একে দশাই দিচাং নৈৰ ক্ষেত্ৰতো ঘটি আছে।।

কিন্তু এই সমস্যাৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় আমাৰ হাততে আছে।আমি প্ৰথমে আৱৰ্জনাসমূহ দুটাভাগত ভাগ কৰিব লাগিব,এটা হৈছে জৈৱিক আৰু আনটো হৈছে অজৈৱিক আৱৰ্জনা।।প্লাষ্টিক,পলিথিন আদি যিসমূহ সামগ্ৰী পানীত পেলালে পানীৰ প্ৰদূষণ হয়,সেইসমূহ আমি ঘৰৰ এচুকত গাঁত খান্দি পুতি থোৱাৰ ব্যৱস্থা কৰিব লাগিব।আনহাতে ,ঘৰৰ পেলনীয়া শাক-পাচলি,ফল-মূল আদি গাঁত খান্দি পুতি কেঁচুসাৰ হিচাপে ব্যৱহাৰ কৰাৰ ব্যৱস্থা কৰিব লাগিব। এই পদ্ধতিৰ দ্বাৰা আমি দুই ধৰণে লাভৱান হ'ম,প্ৰথম,পানীৰ প্ৰদূষণ ৰোধ হ'ব আৰু দ্বিতীয়তে কেঁচুসাৰ খেতিত প্ৰয়োগ কৰিব পৰা যাব।

২)4R *নীতি*

*Reduce(হ্ৰাস কৰা) *Reuse,(পুনৰ্ব্যৱহাৰ), *Recycle(পুনৰাৱৰ্তন)*

*Restore(সংৰক্ষণ)*

দিচাং নৈৰ ওচৰৰ যিসকল লোক তেওঁলোকে এই *4R* নীতি প্ৰয়োগ কৰি দিচাং নৈত প্ৰদূষণৰ মাত্ৰা বহুগুণে কমাব পাৰিব।উদাহৰণস্বৰূপে তেওঁলোকে যদি প্লাষ্টিক,পলিথিন আদিৰ ব্যৱহাৰ হ্ৰাস(Reduce)কৰে তেন্তে দিঙাং নদীতো সেই প্লাষ্টিক,পলিথিনৰ আৱৰ্জনাৰ পৰিমাণ কমি যাব ঠিক

সেইদৰে সেই অঞ্চলসমূহৰ  ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লিখি শেষ হোৱা বহী বা কিতাপ কাগজ দিচাং নৈত উটুৱাই দিয়াৰ সলনি সেই কাগজৰ পৰা বেগ,মোনা আদি প্ৰস্তুত কৰে আৰু লগতে কাৰিকৰী কৌশলৰ সহায়ত যদি তাৰ পৰা ৰং-বিৰঙীয়া  ফুলদানি,মালা আদি  প্ৰস্তুত কৰে তেন্তে কিমান লাভ হ'ব!! এফালে পলিথিনৰ ব্যৱহাৰ নকৰি প্ৰদূষণ ৰোধ হ'ল ! আনহাতে ব্যৱহাৰ  হোৱা কাগজৰে পলিথিন প্ৰস্তুত কৰাৰ ফলত কাগজখিনিৰো সদব্যৱহাৰ হ'ল।ইয়াৰ ফলত দিচাঙত আৱৰ্জনাৰ পৰিমাণ ৫০% পৰ্যন্ত কমি যাব।

৩)তৃতীয়তে, দিচাং নৈৰ দাঁতাকাষৰীয়া বাসিন্দাসকলে আৱৰ্জনা পেলোৱা নলাৰ সংযোগ দিচাং নৈৰ সলনি নিজৰ ঘৰৰ পোতা পুখুৰীৰ লগত কৰিব পাৰে।যাৰফলস্বৰূপে,দিচাং নৈত জমা হোৱা ঘৰুৱা আৱৰ্জনাৰ পৰিমাণ বহু পৰিমাণে কমিব।

*দিচাং নৈৰ প্ৰদূষণ ৰোধ কৰিবলৈ চৰকাৰ তথা প্ৰশাসনে কি ধৰণৰ ব্যৱস্থা ল'ব পাৰে-

১)দিচাঙৰ দাঁতিকাষৰীয়া যিসমূহ গাঁৱত এতিয়াও বিজ্ঞানসন্মত শৌচাগাৰ নিৰ্মাণ হোৱা নাই,সেই গাঁওসমূহত স্বচ্ছ ভাৰত অভিযানৰ অংশস্বৰূপে বিজ্ঞানসন্মত শৌচাগাৰৰ ব্যৱস্থা কৰা।বিজ্ঞানসন্মত শৌচাগাৰ ব্যৱহাৰ কৰিলে সেই মল-মূত্ৰ কেতিয়াও দিচাং নৈত আহি নপৰেহি। যাৰফলত দিচাং নৈত প্ৰদূষণ ৰোধ হ'ব।।এইক্ষেত্ৰত চৰকাৰৰ লগতে গাঁও অঞ্চলৰ পঞ্চায়তে  গুৰুত্ব প্ৰদান কৰিব লাগিব।

২)  দ্বিতীয়তে,দিচাং নৈৰ দাঁতিকাষৰীয়া চহৰ শিৱসাগৰ আৰু ডিব্ৰুগড়ত যিসমূহ দোকান,উদ্যোগ,হোটেল,ৰেষ্টোৰেন্ট আছে,তাৰ আৱৰ্জনাসমূহ নলাত পেলোৱা হয় আৰু সেই নলায়েদি আৱৰ্জনা আহি দিচাং নৈত পৰেহি।সেয়ে চৰকাৰ তথা প্ৰশাসনে উদ্যোগ অথবা দোকানসমূহৰ আৱৰ্জনাবোৰ নলাত যে পেলাব নালাগে,এই ক্ষেত্ৰত কঠোৰ নিয়ম জাৰি কৰিব লাগে।।

ইয়াৰোপৰি,প্ৰশাসনে দিচাং নৈৰ প্ৰদূষণ ৰোধ কৰিবলৈ সজাগতামূলক সভা আয়োজন কৰি এই কথাসমূহ(বিজ্ঞানসন্মত শৌচাগাৰ ব্যৱহাৰ,4R নীতি আদি) জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিব লাগিব।

দিচাং নৈ সংৰক্ষণৰ প্ৰসংগলৈ অহাৰ আগতে ভাৰতৰ নৈসমূহ সংৰক্ষণ তথা পুনৰুদ্ধাৰ কৰিবলৈ ঈষা ফাউণ্ডেছনৰ জগী বাসুদেৱে(Sadhguru) আৰম্ভণি কৰা এটি মহান প্ৰকল্পৰ কথা উল্লেখ কৰিব লাগিব।বৈজ্ঞানিকসকলে অনুমান কৰিছে যে ভাৰতত নদীত যিটো হাৰত পানী শুকাইছে সেই হাৰত পানী শুকাবলৈ হ'লে ২০৩০ চনত ভাৰতৰ জনসাধাৰণে ব্যৱহাৰ কৰিব পৰা মাত্ৰ ৫০% পানী বাচি থাকিব।এই কথাসমূহৰ প্ৰতি লক্ষ্য ৰাখিয়েই জগী বাসুদেৱে আৰম্ভণি কৰিছিল "Rally For Rivers" নামৰ এটা প্ৰকল্প।এই প্ৰকল্পটোৰ মূল উদ্দেশ্য হ'ল জনসাধাৰণৰ মাজত নদী প্ৰদূষণ,সংৰক্ষণ আদিৰ বিষয়ত সজাগতা সৃষ্টি কৰা।তথা চৰকাৰকো এই বিষয়সমূহ দৃষ্টিগোচৰ কৰোৱা।।এই প্ৰকল্পৰ যোগদি নদীৰ দুয়োকাষত প্ৰায় ১ কিলোমিটাৰ ঠাইত গছ-গছনি ৰূপন কৰিব লাগে।। তাৰোপৰি এই প্ৰকল্পই নদীৰ দাতিকাষৰীয়া ঠাইখনত উক্ত ঠাইখনৰ ব্যৱসায়িক লাভালাভ থকা কৃষি উপযোগী গছ ৰোপন কৰিবলৈ মত পোষণ কৰিছে।। এইটো এটা খুব সুন্দৰ প্ৰকল্প হিচাপে অভিহিত হৈছে কিয়নো গছ-গছনি ৰূপনৰ জৰিয়তে এফালে নদীসমূহ সংৰক্ষণ কৰিব পৰা যাব অন্যহাতেদি ব্যৱসায়িক লাভালাভ থকা বৃক্ষই খেতিয়কসকল আৰ্থিকভাৱে সকাহ দিব।এই প্ৰকল্পৰ অধীনতে প্ৰায় ৪০% শুকাই যোৱা কাবেৰি নদীৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰায় ৪৬

মিলিয়ন(৪কোটি ৬০ লাখ)জোপা গছ ৰোপন কৰাৰ পৰিকল্পনা কৰা হৈছে।।এয়া আমাৰ বাবে খুবেই এটি ভাল বার্তা।

*এতিয়া প্ৰশ্ন হ'ল, নদীৰ কাষত গছ ৰোপন কৰি নদীক কিদৰে সংৰক্ষণ কৰিব পাৰি?

আমি জানো যে কোনো এটা অঞ্চলত যিমানেই গছ-গছনিৰ পৰিমাণ বেছি হয় তাত সিমানেই বৰষুণৰ পৰিমাণো বেছি হয়।আৰু সেই বৰষুণৰ পানী গছ-গছনিৰ শিপাই শোষণ(Absorb)কৰে।।আৰু সেই শোষিত পানী মাটিৰ তলেদি কিছুমান শাখাৰে বৈ গৈ নদীত পৰেগৈ।বৰষুণৰ পানী এনেকৈ মাটিৰ তলত জমা হয় আৰু নদীলৈ বৈ যায়।বৰষুণৰ পৰিমাণ কম হ'লেও আনকি নহ'লেও এই জমা পানী কিন্তু নদীলৈ মাটিৰ তলিয়েদি বৈ থাকে।যাৰ বাবে গোটেই বছৰ নদীৰ পানী নুশুকায়।।গতিকে,আমি যদি নদীৰ দুয়োকাষে গছ-গছনি ৰুপন কৰোঁ,তেন্তে গোটেই বছৰ জুৰি নদীৰ পানী নুশুকাব।এই পদ্ধতিটো আমি দিচাং নৈৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পাৰোঁ।দিল্লী ঘাট,দিচাংমুখ আদিত আমি এই প্ৰকল্পটো ব্যৱহাৰ কৰি চাব পাৰোঁ।

*কেনেধৰণৰ গছ দিচাঙৰ কাষত ৰুপন কৰিব পৰা যাব?

যিহেতু অসমৰ মাটিত আম গছ,বগৰী গছ,মাধুৰীআম আদিৰ প্ৰয়োভৰে বেছি গতিকে,দিচাঙৰ কাষতো মই এই গছসমূহে ৰুপন কৰাৰ পোষকতা কৰোঁ।এফালেদি এই গছসমূহে দিচাঙ নৈৰ সংৰক্ষণত ভূমিকা ল'ব,আনহাতে এই ফলমূলৰ গছসমূহে দাঁতিকাষৰীয়া লোকসকলক ব্যৱসায়িকভাৱে লাভান্বিত কৰিব।চৰকাৰৰ ভূমিকাও এইক্ষেত্ৰত লক্ষ্যণীয় হ'ব।

দিচাং নৈৰ ক্ষেত্ৰত মোৰ অভিজ্ঞতাৰ কথা ক'বলৈ গ'লে,দুটা বিশেষ ঘটনাৰ কথা উল্লেখ কৰিব লাগিব-

প্ৰথমটো ঘটনা হৈছে,দিচাঙত মই দেখা পোৱা বালিখনন( Sandmining ) কাৰ্য।যদিও নদীৰ কাষৰ বেছিভাগ ঠাইত বালিখনন অবৈধ কিন্তু কিছুমান ঠাইত এই বালিখনন বৈধ্য।।ভাৰতত প্ৰতিবছৰে প্ৰায় ১২০ বিলিয়ন ডলাৰৰ ব্যৱসায়িক লাভালাভ হয় এই বালিখননৰ জৰিয়তেই।।এই বালিখননৰ বাবেই নদী শুকাই যায় আৰু বানপানীৰ দৰে সমস্যাৰো সৃষ্টি হয়। এই অবৈধ বালিখনন ৰোধ কৰিবলৈ ২০১৪ চনত কেন্দ্ৰীয় চৰকাৰে কিছুমান নীতি-নিৰ্দেশনা জাৰি কৰিছিল কিন্ত সকলো এতিয়া নিস্প্ৰভ। দিচাং নৈতো এই অবৈধ বালিখনন সঘনে দেখা পোৱা যায়।।যাৰ ফলস্বৰূপে দিনক-দিনে দিচাং নৈ শুকাই আহিবলৈ ধৰিছে।।সেয়ে মই ভাৱো চৰকাৰে অনতিপলমে বৈধ,অবৈধ এই দুয়োধৰণৰ বালিখননৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰিব লাগে।কিন্তু বালি ব্যৱহাৰ নকৰিলে ঘৰ,উদ্যোগ সাজিবলৈ বালি ক'ত পোৱা যাব?

ইয়াৰ উত্তৰ হ'ল,বালিৰ বিকল্পস্বৰূপ "Manifactured Sand"।কিন্তু বৰ্তমানলৈকে বহুতে এই বিষয়ে গমেই পোৱা নাই।চৰকাৰে যদি বালিখনন বন্ধ কৰি "Manifactured Sand" ব্যৱহাৰ কৰিবলৈ জনসাধাৰণক আহ্বান জনায়,তেন্তে নিশ্চয় এদিন বালিখনন ৰোধ হ'ব আৰু নদীখনো সংৰক্ষিত হ'ব।।

দিচাং নৈৰ লগত মোৰ দ্বিতীয়তো অভিজ্ঞতা হ'ল,২০২০ বৰ্ষৰ।।যদিও সন্মুখত এই দৃশ্যটো দেখা নাছিলো,বাতৰি কাকতৰ শিৰোনামত দিচাং নৈৰ এই খবৰটোৱে মোক আঘাত কৰিছিল।যিসময়ত সমগ্ৰ দেশতে লকডাউন অব্যাহত আছিল সেই সময়ত একাংশ অসাধু লোকে লকডাউনৰ গইনা লৈ দিচাং নদীৰ পানীত বিহ ঢালি মাছ নিধন কৰিছিল।দিচাং নদীত অচিনাক্ত কোনো লোকে বিহ ঢলাৰ ফলত নিধন হৈছিল কণীযুক্ত মাছৰ। কেইটামান টকাৰ বাবেই তেওঁলোকে দিচাং নদীত বিহ ঢালি কণীযুক্ত মাছ নিধন কৰি বিক্ৰী কৰিছিল বিভিন্ন প্ৰান্তত। উল্লেখ্য যে অসম মীন অধিনিয়ম ১৯৫৩ৰ অনুসৰি সেই সময়ছোৱাত কণীযুক্ত মাছ ধৰাত

নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।যিহেতু সেই সময়ছোৱা মাছৰ প্ৰজননৰ সময়। সেয়ে ৭-১৪ ছেন্টিমিটাৰ তলৰ মাছ ধৰাত প্ৰতিবছৰে চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰে প্ৰজনন, বংশ বৃদ্ধি তথা বিকাশৰ বাবে। কিন্তু তাৰ প্ৰতি গুৰুত্ব নিদি একাংশ অসাধু লোকে নিজৰ ন্যস্ত স্বাৰ্থ সিদ্ধিতহে গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। যাৰ ফলত এতিয়া দিচাং নদীত বিহ ঢালি কণীযুক্ত মাছ নিধন কৰাৰ লগতে সেইবোৰ বিক্ৰী কৰি আহিছে।এই বাতৰিটো মই যিদিনাই বাতৰি কাকতত পঢ়িবলৈ পাইছিলো,তেতিয়া মোৰ মনলৈ এটাই প্ৰশ্ন আহিছিল-"আমি বাৰু সঁচাকৈয়ে জীৱশ্ৰেষ্ঠনে?" এনেকৈ যদি আমি পৃথিৱীৰ জীৱকুলক হত্যা কৰি গৈ থাকো,তেন্তে পৃথিৱীৰ সামৰণি দিন যে সমাগত সেয়া ধ্ৰুৱপ।

ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ দুই প্ৰধান নৈ। কিন্তু সেইবুলিয়েই আমি অসমৰ আন নদ-নদীসমূহৰ সংৰক্ষণক লৈ গাফিলতি কৰিব নালাগিব।ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ ক্ষেত্ৰত চৰকাৰে যিসমূহ পৰিকল্পনা হাতত লয়,তেনে পৰিকল্পনা চৰকাৰে অসমৰ আন নদী -নদীৰ ক্ষেত্ৰতো ল'ব লাগে।তাৰোপৰি,নদী প্ৰদূষণৰ কাৰণে আমি সকলো সময়তে চৰকাৰক দোষীও লাভ নাই।কিয়নো নদীত আৱৰ্জনা পেলাবলৈ, শৌচ কৰিবলৈ চৰকাৰে আমাক কোৱা নাই,আমি নিজেই সেই কু-কৰ্ম কৰিছোঁ আৰু সকলো সময়তে প্ৰতিজন নাগৰিকক দৃষ্টিগোচৰ কৰি থকাটোও চৰকাৰৰ পক্ষে সম্ভৱ নহয়। অসমীয়াত এষাৰ কথা আছে, "ৰাইজে নথ জোকাৰিলে নৈ বয়"। সেয়ে আহকছোন ৰাইজ,চৰকাৰ,প্ৰশাসলৈ অপেক্ষা নকৰি আমি আমাৰ জীৱকুলৰ প্ৰতি নিজেই সজাগ হওঁ,যাতে এখন সৰ্বাংগ সুন্দৰ পৃথিৱী উত্তৰ প্ৰজন্মক উপহাৰ দিব পাৰোঁ।

শেষত,সাহিত্যৰথী ৰসৰাস লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাৰে সামৰিছোঁ-

বাজক ডবা বাজক শঙ্খ<br>
বাজক মৃদংগ খোল<br>
অসম আকৌ উন্নতিৰ পথত

জয় আই অসম বোল।।

.

---

*অভিৰাজ দত্ত।

*জগন্নাথ বৰুৱা মহাবিদ্যালয়,যোৰহাট

*স্নাতক প্ৰথম ষান্মাষিক

*ঠিকনা:বাহনা ,যোৰহাট

*পিনঃ ৭৮৫১০০১

*দূৰভাষ: ৮১৩৫০০৭৬১২